GJMC S4 02(MP)
Exam.Code : JMM4A/JME4A/JMP4A

সংবাদ মাধ্যম আইন আৰু নীতি

চতুর্থ ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **সংবাদ মাধ্যম নীতি** ৭-২২

সংবাদ মাধ্যম আৰু নীতিৰ গুৰুত্ব; সংবাদ মাধ্যমৰ নীতি সংহিতা; সংবাদ মাধ্যম আৰু মাধ্যম অর্থনীতিৰ মাজৰ সম্পর্ক; সংবাদ মাধ্যমৰ বি-নিয়ন্ত্রণ, সংবাদ মাধ্যম মালিকীস্বত্বৰ কেন্দ্রীভূতকৰণ; সংবাদ মাধ্যমৰ ট্রেড ইউনিয়ন আৰু শ্রম বিষয়ক সমস্যা

অধ্যায় ২ ঃ **বিশ্ববৰেণ্য নৈতিক চিন্তাবিদসকলৰ দর্শন** ২৩-৩৫

বিভিন্ন যুগৰ প্রধান নৈতিক চিন্তাবিদসকল- এৰিষ্টটল, ইমানুৱেল কাণ্ট, জ'ন ষ্টুৱার্ট মিল, ডব্লিউ. ডি. ৰ'ছ, জ'ন ৰওলচ্, শ্বেইলা বেনহাবিব

অধ্যায় ৩ ঃ **সংবাদ মাধ্যম নীতি সংহিতাৰ উমৈহতীয়া উপাদান** ৩৬-৫০

সংবাদ মাধ্যম নীতি সংহিতাৰ উমৈহতীয়া উপাদান, সংবাদ মাধ্যম নীতি সংহিতাৰ গুৰুত্ব, কুম্ভিলক বৃত্তি, নৈতিক স্বীকৃত মানবোৰৰ সংকলন, প্রত্যুতৰৰ অধিকাৰ

অধ্যায় ৪ ঃ **সংবাদ মাধ্যমৰ স্বাধীনতাৰ আইনগত দিশসমূহ** ৫১-৬৭

সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণা- সংবাদ মাধ্যমৰ স্বাধীনতাৰ ইতিহাস, সংবাদ মাধ্যমৰ স্বাধীনতাৰ সাংবিধানিক নিশ্চিয়তা আৰু যুক্তিসংগত বাধা, সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত নিয়ন্ত্রণৰ প্রাসংগিকতা মানহানিৰ ধাৰণা, মানহানিৰ প্রকাৰ, মানহানিৰ ক্ষেত্রত বিভিন্ন লোকৰ দায়বদ্ধতা, চৰকাৰী গোপনীয়তা আইন, ১৯২৩ তথ্য জনাৰ অধিকাৰঃ ধাৰণা, তথ্য জনাৰ অধিকাৰ- এটা মানৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ ঃ আন্তঃৰাষ্ট্রীয় স্বীকৃত মান, তথ্য জনাৰ অধিকাৰঃ ভাৰতীয় প্রেক্ষাপট, তথ্য জনাৰ অধিকাৰ আইন, ২০০৫

অধ্যায় ৫ ঃ **সাংবাদিকৰ অধিকাৰ** ৬৮-৮০

ভাৰতীয় প্রেছ কাউঞ্চিল, সাংবাদিকতাৰ নীতি, কর্মৰত সাংবাদিক আৰু অন্য বাতৰি-কাকত কর্মচাৰী (সেৱাৰ চর্ত আৰু অন্যান্য সা-সুবিধা) আইন, ১৯৫৫ ; তাত্ত্বিক আৰু ব্যৱহাৰিক ক্ষেত্রত নীতি

অধ্যায় ৬ঃ **সংবাদ মাধ্যম আৰু গোপনীয়তা** ৮১-৯৮

সংবাদ মাধ্যম আৰু ব্যক্তিগত গোপনীয়তাত অনধিকাৰ হস্তক্ষেপঃ আন্তর্জাতিক

পাঠ্যবিষয়ৰ পৰিচয় ঃ

আইন মতে 'অধিকাৰ' হ'ল ব্যক্তিক কোনো কাম কৰিবলৈ নাইবা কোনো কামৰ পৰা বিৰত ৰাখিবলৈ প্রদান কৰা ন্যায়িক অথবা নৈতিক কর্তৃত্ব। অধিকাৰে মানুহক এখন নাগৰিক সমাজত কোনো কার্য সম্পাদন কৰাৰ কর্তৃত্ব অর্পন নাইবা কোনো কার্য সম্পাদন কৰাৰ পৰা আঁতৰাই ৰাখে, কোনো বস্তু আহৰণৰ সুবিধা দিয়ে নাইবা আহৰণ কৰাৰ পৰা বিৰত ৰাখে অথবা স্বীকৃতি প্রদান কৰে নাইবা স্বীকৃতি লাভৰ পৰা আঁতৰত ৰাখে। অধিকাৰবোৰে মানুহৰ মাজত লা আন্তঃক্রয়াৰ নিয়মৰূপে কাম কৰে আৰু, লগতে, অধিকাৰে ব্যক্তি অথবা মানৰ গোটৰ কার্যত প্রতিবন্ধকতা আৰু বাধা-নিষেধ আৰোপ কৰে। আনহাতে, নীতিশাস্ত্র হ'ল আচৰণৰ স্বীকৃত প্রথা। নৈতিকতাই মানুহৰ গ্রহণযোগ্য আৰু অগ্রহণযোগ্য আচৰণৰ মাজত থকা পার্থক্য বুজাত সহায় কৰে। নৈতিকতা ভুল-শুদ্ধ, ভাল-বেয়া, ন্যায়-অন্যায়, দায়িত্বশীল- দায়িত্বহীন, বাধ্যতামূলক অনুমতি সাপেক্ষ, প্রশংসাযোগ্য-দোষাৰোপসাধ্য আদি বিষয়ৰ সৈতে জড়িত। এই বিষয়বোৰ কোনো এখন সমাজে সামাজিক আৰু নৈতিক স্বীকৃত মান ৰূপে মানি চলে। সাংবাদিকতাৰ নীতি আৰু স্বীকৃত মান বোৰ হ'ল নীতিশাস্ত্রত সন্নিৱিষ্ট নীতি আৰু উৎকৃষ্ট অনুশীলনৰ সমষ্টি। বৃত্তিজীৱী সাংবাদিকসকলে সকলো সময়তে মুখামুকি হ'বলগীয়া কিছুমান বিশেষ প্রত্যাহ্বানৰ ক্ষেত্রত এই নীতি আৰু মানবোৰ প্রযোজ্য।

খণ্ড পৰিচয় ঃ

'সংবাদ মাধ্যম আইন আৰু নীতি' শীর্ষক পাঠ্যবিষয়টোৰ এইটো হ'ল প্রথম খণ্ড। এই খণ্ডত ৭টা অধ্যায় আছে। প্রথম অধ্যয়টোৰ জৰিয়তে আপোনাক সংবাদ মাধ্যমৰ নীতিবোৰৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। এই নীতিবোৰ হ'ল এক প্রমূল্য প্রণালী। ইয়াৰ জৰিয়তে সাংবাদিকতাৰ সৈতে জড়িত ব্যক্তিয়ে শুদ্ধ-অশুদ্ধ, ন্যায়- অন্যায়, যুক্তিসংগত- অযুক্তিকৰ আদি কথা নির্ণয় কৰে। এই নীতিবোৰ কোনো এটা সংবাদ মাধ্যমক নিৰপেক্ষ ৰূপত বর্তাই ৰখাৰ বাবে প্রয়োজনীয়।

এই পাঠ্যবিষয়টো পঢ়ি শিক্ষার্থীয়ে সংবাদ মাধ্যম আৰু সংবাদ মাধ্যম অর্থনীতিৰ মাজৰ সম্পর্কবোৰৰ লগতে সংবাদ মাধ্যম ট্রেড ইউনিয়নবোৰৰ সৈতে জড়িত বিভিন্ন সমস্যাৰ বিষয়েও জানিব পাৰিব। দ্বিতীয় অধ্যায়ত ইতিহাসৰ বিভিন্ন যুগত নীতিশাস্ত্রলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা কেইবাগৰাকীও প্রধান নৈতিক চিন্তাবিদৰ ধাৰণাবোৰ পৰীক্ষা কৰি চোৱা হ'ব। এনে চিন্তাবিদ কেইগৰাকীমান হ'ল- এৰিষ্টটল, ইমানুৱেল কাণ্ট, জন ষ্টুৱার্ট মিল, ডব্লিউ ডি. ৰ'ছ, জ'ন ৰওলচ্, শ্বেইলা বেনহাহিব ইত্যাদি। তৃতীয় অধ্যায়টোৰ জৰিয়তে আপুনি নীতিশাস্ত্রৰ কেইটামান উমৈহতীয়া উপাদানৰ কথা বুজিব পাৰিব। এই নীতিবোৰ সংবাদ মাধ্যমৰ বাবে প্রয়োজনীয় আৰু গুৰুত্বপূর্ণ। এনে নীতি কেইটামান হ'ল- সত্যনিষ্ঠতা, নির্ভুলতা, বস্তুনিষ্ঠতা, নিৰপেক্ষতা, মর্যাদা, ন্যায্যতা, ৰাজহুৱা ভাৰসাযোগ্যতা আৰু মানৱীয়তা বর্তাই ৰখা। এই আটাইবোৰ নীতিয়েই সংবাদযোগ্য তথ্য আহৰণৰ সময়ত প্রযোজ্য। অৱশেষত কুম্ভিলক বৃত্তি আৰু প্রত্যুত্তৰৰ অধিকাৰ' সম্পর্কে আলোচনা কৰা হ'ব। এই বিষয় দুটা যিকোনো ব্যক্তি অথবা দলৰ সৈতে জড়িত হ'ব পাৰে। মানুহৰ বিপথে পৰিচালিত কৰিব পৰা অথবা ভুল তথ্য প্রকাশত বাধা দিয়াৰ অধিকাৰ থাকে।

চতুর্থ অধ্যায়টো পঢ়ি আপুনি সংবাদ মাধ্যমৰ সৈতে জড়িত অধিকাৰবোৰৰ বিষয়ে জানিব পাৰিব। এইবোৰে এটা শক্তিশালী অনুষ্ঠানৰ দৰে কাম কৰে আৰু সংযোগৰ এবিধ প্রয়োজনীয় আহিলাৰ ভূমিকা পালন কৰে। অধ্যায়টোত সংবাদ মাধ্যমৰ স্বাধীনতা সম্পর্কে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট নিশ্চিতি তথা সীমাৱদ্ধতাবোৰৰ বিষয়েও আলোচনা কৰা হৈছে। অধ্যায়টোত আলোচনা কৰা আন এটা গুৰুত্বপূর্ণ বিষয় হ'ল ভাৰতত থকা দণ্ড বিধি সুবিধাসমূহ। অৱশেষত আপুনি তথ্য জনাৰ অধিকাৰৰ ধাৰণাটো